অধ্যায় ১০ ঃ যাজ্ঞৱল্ক্যস্মৃতি ঃ ব্যৱহাৰ - অধ্যায় ঃ সাক্ষী প্ৰকৰণ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ মূলপাঠ

১০.৪ সাক্ষী ঃ সংক্ষিপ্ত আলোচনা

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্ৰগতিৰ খতিয়ান

১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্ৰাচীন ভাৰতীয় বিচাৰ-ব্যৱস্থাৰ লগত পৰিচয় হ'ব পাৰিব
- যাক্ষৱল্ক্যস্মৃতি অনুসৰি সাক্ষী প্ৰক্ৰিয়াৰ লগত চিনাকী হ'ব পাৰিব
- বিচাৰ ব্যৱস্থাত সাক্ষীৰ ভূমিকা সম্বন্ধে অৱগত হ'ব পাৰিব
- সাক্ষীৰ সংখ্যা, সাক্ষীৰ গুণ, সাক্ষীৰ প্ৰকাৰ সম্পৰ্কে জানিব পাৰিব
- মিথ্যাসাক্ষীৰ দণ্ড, সাক্ষীৰ শপথ আদিও জ্ঞাত হ'ব।

১০.২ পৰিচয়

আচাৰ্য্য যাজ্ঞবল্ক্যপ্ৰণীত 'যাজ্ঞৱল্ক্যসংহিতা'ত তিনিটা অধ্যায় আছে। সেইকেইটা হৈছে— আচাৰাধ্যায়, ব্যৱহাৰাধ্যায় আৰু প্ৰায়শ্চিত্তাধ্যায়। ব্যৱহাৰ অধ্যায়ত ২৫টা প্ৰকৰণ পোৱা যায়। এই পঁছিটা প্ৰকৰণত যাজ্ঞাৱল্ক্যই আন বিষয়ৰ লগতে টা ব্যৱহাৰ পদ (titles of the suit) আলোচনা কৰিছে।

'ব্যৱহাৰ' শব্দটো স্মৃতিশাস্ত্ৰত এটা পাৰিভাষিক শব্দ (technical term)। ইয়াৰ অৰ্থ হৈছে বিচাৰ প্ৰক্ৰিয়া বা পদ্ধতি (Judicial procedure)। ব্যৱহাৰ দুই প্ৰকাৰৰ— ধনমূলক তথা হিংসামূলক। যি দুটাক আজিকালি দেৱানী (civil) আৰু ফৌজদাৰী (criminal) বুলি কোৱা হয়। এই ব্যৱহাৰত চাৰিটা পাদ বা অংশ আছে। এই পাদকেইটা হৈছে— (১) ভাষাপদ— কোনো ব্যক্তি যদি ধৰ্মশাস্ত্ৰ তথা লোকাচাৰৰ বিৰুদ্ধ পথেৰে অন্যৰ দ্বাৰা আক্ৰান্ত হয় আৰু তেওঁ যদি এই বিষয়ে ৰজাক আৱেদন কৰে। (২) উত্তৰপাদ-অৰ্থীৰ বক্তব্য শুনাৰ পিছত প্ৰত্যৰ্থীয়ে তাৰ উত্তৰ লিখিব। (৩) ক্ৰিয়াপাদ-অৰ্থীৰ সন্মুখত প্ৰত্যৰ্থীৰ উত্তৰ লিখাৰ পিছত অৰ্থীৰ কৰ্তব্য

হ'ব নিজৰ অভিযোগৰ স্বপক্ষে প্রমাণ দাখিল কৰা। (৪) সাধ্যসিদ্ধিপাদ — প্রমাণ প্রদর্শনৰ পিছত অর্থী জয়লাভ অথবা পৰাজয় বৰণ কৰিব।

মানুহৰ দ্বাৰা প্রদর্শন কৰিবলগীয়া প্রমাণ হৈছে তিনি প্রকাৰৰ— লিখিত, ভুক্তি আৰু সাক্ষী। আনহাতে দৈৱিক প্রমাণ হিচাপে 'দিব্য' প্রমাণ পোৱা যায়। লিখিত প্রমাণ হৈছে 'লেখ্য পত্র' (Written document)। ভুক্তি প্রমাণ হৈছে ভোগ স্বত্বহেতুভূত (Possession)। তৃতীয় প্রকাৰৰ মানুষ প্রমাণ হৈছে- সাক্ষী (Witness)।

এই অধ্যায়টিত আপোনালোকে সাক্ষীৰ বিষয়ে জানিব পাৰিব। সাক্ষীৰ সংখ্যা, সাক্ষীৰ গুণ, সাক্ষীৰ প্রকাৰ, কোন কোন ব্যক্তি সাক্ষ্যদানৰ বাবে অযোগ্য, মিথ্যাসাক্ষী, সাক্ষ্যদানৰ শপথ আদিৰ বিষয়ে এই অধ্যায়টোত আলোচনা কৰা হৈছে।

১০.৩ মূলপাঠ

বিবাদস্পদ বিষয়ত সত্যাসত্য নির্ণয়ৰ বাবে ৰজাই প্রমাণ দর্শন কৰিব। স্মৃতিশাস্ত্রত তিনিপ্রকাৰৰ প্রমাণ স্বীকাৰ কৰা হয়— লিখিত দলিল (Document), ভুক্তি বা ভোগ (Possession) আৰু সাক্ষী (Witness)। সাক্ষাৎ দেখাৰ পৰা তথা সাক্ষাৎ শুনাৰ পৰাই হৈছে সাক্ষী— 'সাক্ষী চ সাক্ষাদ্দর্শনাৎ শ্রৱণাচ্চ ভৱতি'। মনুৰ মতেও প্রত্যক্ষ দর্শন তথা শ্রৱণৰ দ্বাৰাই সক্ষীত্ব সিদ্ধ হয়।

এই সাক্ষী দুই প্রকাৰৰ— কৃতসাক্ষী আৰু অকৃতসাক্ষী। অর্থী অথবা প্রত্যর্থীৰ দ্বাৰা সাক্ষীৰূপে যাক নির্ধাৰণ কৰা হৈছে, তেওঁ হ'ল কৃতসাক্ষী। সেই দুইজনৰ দ্বাৰা নিৰূপিত নহোৱা সাক্ষী হৈছে অকৃতসাক্ষী। কৃতসাক্ষী পাঁচপ্রকাৰৰ তথা অকৃতসাক্ষী ছয় প্রকাৰৰ। সর্বমুঠ সাক্ষীৰ সংখ্যা হৈছে এঘাৰ প্রকাৰ। আচার্য্য নাৰদে এই মত সমর্থন কৰাৰ লগতে তেওঁ সাক্ষীসকলৰ ভেদসমূহো বর্ণনা কৰিছে। পাঁচ প্রকাৰৰ কৃতসাক্ষী হৈছে— লিখিত, স্মাৰিত, যদৃচ্ছাভিজ্ঞ, গূঢ় তথা উত্তৰসাক্ষী। অকৃতসাক্ষী ছয় প্রকাৰৰ হৈছে— গ্রাম, প্রাড্‌বিবাক, ৰাজা, কার্যাধিকাৰী, অর্থিপ্রহিত আৰু কুল্য।

কৃতসাক্ষীৰ ভেদসমূহ ব্যাখ্যা কৰি কাত্যায়নে কৈছে— অর্থী অর্থাৎ বাদীয়ে স্বয়ং যাক লৈ আহি সাক্ষীহিচাপে লেখ্যপত্রত নাম অন্তর্ভুক্ত কৰে, তেঁৱেই হৈছে 'লিখিত সাক্ষী'। কার্যসিদ্ধিৰ বাবে অর্থীয়ে যাক বাৰে বাৰে সাক্ষ্যৰ বিষয়টো স্মৰণ কৰাই থাকে, তাকেই কোৱা হয় 'স্মাৰিত সাক্ষী।' স্মাৰিত সাক্ষীৰ নাম লেখ্যপত্রত দিয়া নাথাকে। যিজনে স্বেচ্ছাই আহি উপস্থিত হয় আৰু সাক্ষী হিচাপে নিযুক্ত হয়, তেওঁকেই 'যদৃচ্ছাভিজ্ঞ সাক্ষী' বুলি কোৱা হয়। অর্থীৰ কার্যসিদ্ধিৰ বাবে গোপনে থাকি প্রত্যর্থী অর্থাৎ বিবাদীৰ বাক্য শুনি সাক্ষ্য প্রদান কৰাজনেই হৈছে 'গূঢ়সাক্ষী'। আনহাতে সাক্ষীসকলৰ সাক্ষ্যদানৰ পিছত যদি অন্য কোনোবাক সাক্ষীৰূপে প্রক্ষেপ কৰা হয়, তেঁৱেই হৈছে 'উত্তৰসাক্ষী।'

অকৃতসাক্ষী হৈছে ছয় প্রকাৰৰ। ইয়াৰে প্রথম জন হৈছে 'গ্রাম'। গ্রাম শব্দৰ দ্বাৰাই গাঁওবাসী বুজিব লাগিব। একে গাঁৱৰে অধিবাসী কোনো ব্যক্তি সাক্ষীৰূপে নিৰূপিত নহ'লেও

তেওঁ সাক্ষ্যদান কৰিব পাৰে। দ্বিতীয় অকৃতসাক্ষী হৈছে 'প্ৰাড্‌বিবাক'। ইয়াতে প্ৰাড্‌বিবাক শব্দটোৱে ব্যৱহাৰ সভাৰ লেখক তথা সভ্য (সভাসদ) আদি সকলোকে বুজোৱা হৈছে। ইয়াৰোপৰি ৰজাই যিহেতু সমগ্ৰ বিচাৰ পদ্ধতি পৰিচালনা কৰে, সেয়েহে ব্যৱহাৰ নিষ্পাদক সভ্যগণৰ মাজত বিবাদ উপস্থিত হ'লে তৃতীয় প্ৰকাৰৰ অকৃতসাক্ষী 'ৰজা'ই সাক্ষ্যদান কৰিব পাৰে। চতুৰ্থ প্ৰকাৰৰ অকৃতসাক্ষী হৈছে 'কাৰ্যাধিকাৰী'। অৰ্থীৰ সৈতে যিজনে এক কাম কৰে, তেঁৱো সাক্ষী হ'ব পাৰে। পঞ্চবিধ অকৃতসাক্ষী হৈছে 'অৰ্থিপ্ৰহিত'। অৰ্থীৰ দ্বাৰা প্ৰেৰিত ব্যক্তিও সাক্ষী হ'ব পাৰে। আৰু ষষ্ঠজন অকৃতসাক্ষী হৈছে 'কুল্য'। কুলবিবাদৰ ক্ষেত্ৰত স্ববংশীয় ব্যক্তিয়েও সাক্ষী হ'ব পাৰে।

এই সাক্ষীসমূহ কেনে হ'ব লাগে অৰ্থাৎ তেওঁলোকৰ যোগ্যতা, তেওঁলোকৰ সংখ্যা আদি বিষয়সমূহ তলত আলোচনা কৰা হৈছে।

মূলপাঠ ঃ তপস্বিনো দানশীলাঃ কুলীনাঃ সত্যবাদিনঃ।
ধৰ্মপ্ৰধানা ঋজৱঃ পুত্ৰৱন্তো ধনান্বিতাঃ।। ১।।
ত্ৰ্যৱৰাঃসাক্ষিণো জ্ঞেয়াঃ শ্ৰৌতস্মাৰ্ত্তক্ৰিয়াপৰাঃ।
য়থাজাতি য়থাবৰ্ণং সৰ্ৱে সৰ্ৱেষু বা স্মৃতাঃ।। ২।।

অসমীয়া অনুবাদ ঃ সাক্ষীসকল তপঃ পৰায়ণ, দানশীল, সদ্‌বংশ জাত, সত্যবাদী, ধৰ্মপৰায়ণ, অকুটিল অৰ্থাৎ সৰলবুদ্ধিসম্পন্ন, পুত্ৰবান, ধনবান আৰু বৈদিক তথা স্মৃতিশাস্ত্ৰ সন্মত নিত্য-নৈমিত্তিক ক্ৰিয়া পৰায়ণ হ'ব লাগিব। সাক্ষীৰ সংখ্যা তিনিজনতকৈ কম হ'ব নোৱাৰে (ত্ৰ্যৱৰাঃ ত্ৰয়ঃ অৱৰা ন্যূনা যেষাং)। এই সাক্ষীসকল নিৰ্বাচন কৰা হ'ব জাতি আৰু বৰ্ণ অনুসৰি। অৰ্থাৎ অৰ্থীয়ে নিজৰ জাতি অনুসৰি সাক্ষী আনিব পাৰে। ব্ৰাহ্মণাদি বৰ্ণ অনুসৰিও সাক্ষী নিযুক্ত হ'ব পাৰে। অথবা কোনো কোনো ক্ষেত্ৰত সকলোৱেই সকলো বৰ্ণৰ তথা জাতিৰ সাক্ষী হ'ব পাৰে। অৰ্থাৎ যি ক্ষেত্ৰত নিজ জাতি বা বৰ্ণৰ সাক্ষী পোৱা নাযায়, সেই ক্ষেত্ৰত যিকোনো জাতি বা বৰ্ণৰ মানুহে যিকোনো জাতি বা মানুহৰ হৈ সাক্ষী দিব পাৰে।

অসাক্ষী (সাক্ষী হোৱাৰ যোগ্যতা নথকা) পৰিগণনা ঃ

মূলপাঠ ঃ স্ত্ৰীৱালবৃদ্ধকিতৱমত্তোন্মত্তাভিশস্তকাঃ।
ৰঙ্গাৱতাৰিপাষণ্ডিকূটকৃদ্‌বিকলেন্দ্ৰিয়াঃ।। ৩।।
পতিতাপ্তাৰ্থসম্বন্ধিসহায়ৰিপুতস্কৰাঃ।
সাহসী দৃষ্টদোষশ্চ নিৰ্ধূতাদ্যাস্ত্বসাক্ষিণঃ।। ৪।।

অসমীয়া অনুবাদঃ স্ত্ৰী, বালক (ষোল্ল বছৰৰ তলৰ যাৰ বয়স), বৃদ্ধ (৮০ বছৰৰ ঊৰ্দ্ধৰ যাৰ বয়স), দ্যূতাসক্ত (কিতৱ, gamblers), মদ্যাসক্ত (মত্ত, drunkards), উন্মত্ত (med man), ব্ৰহ্ম হত্যাদিৰ দোষত অভিযুক্ত (অভিশস্তঃ, persons defamed), অভিনেতা (ৰঙ্গাৱতাৰী, actors or heratics), পাষণ্ডি (forgerers), কুটকৃত

(কপতটা থকা ব্যক্তি, deformed person), বিকল ইন্দ্রিয় যুক্ত, ব্রহ্মহত্যাকাৰী আদি পতিত ব্যক্তি (outcastes), আপ্ত অর্থাৎ সুহৃদ (friends), **অর্থসম্বন্ধী** অর্থাৎ বিবাদৰ লগত সম্বন্ধিত ব্যক্তি, সহায় অর্থাৎ অর্থী বা প্রত্যর্থীৰ সৈতে একেলগে বা একে কাম কৰা ব্যক্তি, ৰিপু অর্থাৎ শত্রু (enemies), তস্কৰ অর্থাৎ চোৰ (thieves), সাহসী অর্থাৎ স্ত্রী-ধনাদি বলেৰে অপহৰণকাৰী দুর্বৃত্ত (reckless individuals), দৃষ্টদোষ অর্থাৎ মিছা কথা কোৱাৰ বাবে প্রসিদ্ধ ব্যক্তি (vicious person), নির্ধূত অর্থাৎ বন্ধুৰ দ্বাৰা পৰিত্যক্ত ব্যক্তি (those forsaken by friends) আদি ব্যক্তি সাক্ষী হোৱাৰ অযোগ্য।

মূলপাঠ ঃ উভয়ানুমতঃ সাক্ষী ভৱত্যেকো২পি ধর্মবিৎ।
সর্ৱঃ সাক্ষী সংগ্রহণে চৌর্যপাৰুষ্য সাহসে।। ৫।।

অসমীয়া অনুবাদ ঃ অর্থী আৰু প্রত্যর্থী উভয়ৰে অনুমতি অনুসৰি এজন ধর্মজ্ঞ সাক্ষী হ'ব পাৰে। (ইয়াৰ আগতে ২ নং শ্লোকত কোৱা হৈছিল যে সাক্ষীৰ সংখ্যা সর্বনিম্ন ৩জন হ'বই লাগিব। ইয়াত সেই শ্লোকৰ অপবাদ হিচাপে কোৱা হৈছে।) কোনো কোনো ক্ষেত্রত এজন ব্যক্তিও সাক্ষী হ'ব পাৰে।

আনহাতে ২ নং শ্লোকত কোৱা হৈছিল যে তপঃ পৰায়ণ আদি গুণসম্পন্ন সকলেহে সাক্ষী হোৱাৰ যোগ্য। কিন্তু এই শ্লোকটোত কোৱা হৈছে যে কেইটামান ক্ষেত্রত বা বিবাদত যেনে সংগ্রহণ পৰস্ত্রী গ্রহণ, চৌর্য্যকার্য, পাৰুষ্য অর্থাৎ **বাক্ পাৰুষ্য** তথা **দণ্ড পাৰুষ্য** আৰু সাহস কর্মত যিকোনো ব্যক্তিয়েই সাক্ষী হ'ব পাৰে। ইয়াত উল্লেখ কৰা সংগ্রহণাদি কার্য (যেনে— গোপনে পৰস্ত্রীহৰণ, চুৰি, বাক্-দণ্ড পাৰুষ্য) আৰু সাহস কর্ম (যেনে— নৰহত্যা, চুৰি, পৰস্ত্রীহৰণ, বাক্-দণ্ড পাৰুষ্য) প্রায় একেই কর্ম। কিন্তু 'সাহস' আৰু 'সংগ্রহণ' এই দুটাৰ মাজত সামান্য প্রভেদ আছে। নিজৰ বলৰ অহংকাৰত সকলোৰে সন্মুখত উক্ত অপৰাধ অনুষ্ঠিত হ'লে, তাক 'সাহস' বুলি কোৱা হয়। আনহাতে মানুহৰ অগোচৰে গোপনে যদি উক্ত অপৰাধ সংঘটিত হয়, সেয়াই হৈছে 'সংগ্রহণ'।

অর্থসম্বন্ধী ঃ 'অর্থ মানে ইয়াত ধন-সম্পত্তি নহয়। 'অর্থ শব্দটোৰ পাৰিভাষিক অর্থ হৈছে- বিবাদ, গোচৰ, মোকর্দ্দমা (suit) আদি। অর্থসম্বন্ধী শব্দৰ দ্বাৰা প্রকৃত বিবাদৰ বিষয়ীভূত 'অর্থ'ৰ লগত যাৰ সম্বন্ধ আছে, তেওঁক বুজোৱা হৈছে। Persons having some connection with the subject-matter of the suit

বাক্ পাৰুষ্য ঃ দেশ, জাতি আৰু কুলৰ নিন্দাপৰক আক্রোশ বচন আৰু প্রতিকূল মন্তব্যক বাক্ পাৰুষ্য বোলে।

দণ্ড পাৰুষ্য ঃ হাত, ভৰি, অস্ত্র আদিৰ দ্বাৰা আন লোকৰ শাৰীৰিক প্রহাৰক তথা ভষ্মাদি দ্রব্য আনৰ গাৰৈ চতিয়াই দিয়া কর্মক দণ্ড পাৰুষ্য বোলে।

সাক্ষিশ্রাৱণ ঃ

মূলপাঠ ঃ সাক্ষিণঃ শ্রাৱয়েদ্ বাদিপ্রতিবাদিসমীপগান্।
য়ে পাতককৃতাং লোকা মহাপাতকিনাং তথা।। ৬।।
অগ্নিদানাং চ যে লোকা য়ে চ স্ত্রীৱালঘাতিনাম্।
স তান্ সর্ৱান্ অৱাপ্নোতি যঃ সাক্ষ্যম্ অনৃতং বদেৎ।। ৭।।
সুকৃতং য়ৎ ত্বয়া কিঞ্চিদ্ জন্মান্তৰশতৈঃ কৃতম্।
তৎসর্ৱং তস্য জানীহি য়ং পৰাজয়সে মৃষা।। ৮।।

অসমীয়া অনুবাদ ঃ বিচাৰৰ পূর্বে সাক্ষীসকলক মিছাকথাৰ কুফল সম্বন্ধে অবগত কৰা হয়।

বাদী (plaintiff) আৰু প্ৰতিবাদী (defendant) ৰ সন্মুখত উপস্থিত সাক্ষীসকলক (প্ৰাড্‌বিবাক অৰ্থাৎ ৰজাৰ পাঁচজন পৰামৰ্শদাতাৰ এজনৰ দ্বাৰা) এনেদৰে শুনোৱা হ'ব— পাপী, মহাপাপী, ঘৰত অগ্নি সংযোগকাৰী, স্ত্ৰীহত্যাকাৰী তথা শিশু হত্যাকাৰীয়ে মৃত্যুৰ পিছত যি লোক গমন কৰে অৰ্থাৎ তেওঁলোকৰ যি গতি প্ৰাপ্ত হয়, মিথ্যাসাক্ষ্যদানকাৰী সকলৰো সেই একেই গতি প্ৰাপ্ত হয়।

এশ বছৰৰ জন্ম-জন্মান্তৰে তোমাৰ দ্বাৰা আৰ্জিত যি পূণ্য আছে, সেই আটাইখিনি পূণ্য সেই ব্যক্তিজনে লাভ কৰিব, যাক তুমি মিছা সাক্ষ্যৰ দ্বাৰা পৰাজিত কৰিছা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মানুষ প্ৰমাণ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন নং ২ ঃ সাক্ষী কেইপ্ৰকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ অকৃতসাক্ষীৰ ভেদকেইটা?

.....

.....

প্ৰশ্ন নং ৪ ঃ সাক্ষীৰ দুটা গুণ লিখক।

.....

.....

প্ৰশ্ন নং ৫ ঃ সাক্ষীৰ সংখ্যা সৰ্বনিম্ন কিমানজন হ'ব লাগে।

.....

.....

মূলপাঠ ঃ অব্রুৱন্ হি নৱঃ সাক্ষ্যম্ ঋণং সদশবন্ধকম্।
ৰাজ্ঞা সর্ৱং প্রদাপ্যঃ স্যাৎ ষট্‌চত্বাৰিংশকে২হনি।। ৯।।

অসমীয়া অনুবাদ ঃ সাক্ষীসকলে শপথবাক্য তথা মিছাকথাৰ ফলজ্ঞাপক বাক্য শুনাৰ পিছত যদি কোনো এজন সাক্ষীয়ে সাক্ষ্যদান নকৰে অথবা কোনো কথা যদি নকয়, তেনেহ'লে সমগ্ৰ ঋণৰ ধন সুদৰ সৈতে তেওঁৰ উত্তমর্ণক দিয়াব। তথা সেই ধনৰ শতকৰা দশম অংশ নিজে গ্ৰহণ কৰিব। এই বিধানটো প্ৰযোজ্য হ'ব ৪৫

দিন যোৱাৰ পিছত অর্থাৎ ৪৬ সংখ্যক দিনত।

মূলপাঠ ঃ ন দদাতি হি যঃ সাক্ষ্যং জানন্নপি নৰাধমঃ।
স কূটসাক্ষিণাং পাপৈস্তুল্যো দণ্ডেন চৈৱ হি।। ১০।।

অসমীয়া অনুবাদ ঃ যিজন নৰাধম ব্যক্তিয়ে প্ৰকৃত বিবাদৰ বিষয়ে সকলোবোৰ জানিও সাক্ষ্যদান কৰিব নোখোজে, তেওঁ কূটসাক্ষীৰ পাপৰ তুল্য তথা ৰজাই তেওঁক কূটসাক্ষীক দিয়া দণ্ডেৰেই দণ্ডিত কৰিব। কূটসাক্ষী মানে হৈছে মিথ্যাসাক্ষী। তেওঁৰ দণ্ডৰ নিৰূপণ বেলেগ ঠাইত যাজ্ঞবল্ক্যই কৰিছে।

মূলপাঠ ঃ দ্বৈধে বহূনাং বচনং সমেষু গুণিনাং তথা।
গুণিদ্বৈধে তু বচনং গ্রাহ্যং যে গুণবত্তমাঃ।। ১১।।

অসমীয়া অনুবাদ ঃ একেটা অভিযোগৰ ক্ষেত্ৰত সাক্ষীসকলৰ মাজত পৰস্পৰ মত বিৰোধ দেখা দিলে, সেইটো কি উপায়ে সমাধান হ'ব, সেই কথাটো এই শ্লোকটোত কোৱা হৈছে।

সাক্ষীসকলৰ মাজত যদি মতভেদ দেখা যায়, তেনেহ'লে গৰিষ্ঠসংখ্যকে যিটো মত ব্যক্ত কৰে, সেইটোৱেই মানি লোৱা হ'ব। যদি দুটা মততেই যদি সমান সংখ্যক সাক্ষী থাকে, তেনেহ'লে যিপক্ষত গুণীব্যক্তি থাকে, সেই মতটো মানি লোৱা হ'ব। দুয়োপক্ষতেই যদি গুণীব্যক্তি থাকে, তেনেহ'লে গুণিশ্ৰেষ্ঠ (গুণৱত্তম) থকা মতটোৱেই গ্ৰহণযোগ্য হ'ব। ইয়াতে গুণিশ্ৰেষ্ঠ শব্দটোৰ দ্বাৰা এই সকল ব্যক্তিকেই বুজোৱা হৈছে, যিসকল বেদাধ্যয়নকাৰী, বৈদিক যজ্ঞৰ অনুষ্ঠাতা তথা ধনবান আৰু পুত্ৰবান।

মূলপাঠ ঃ যস্যোচুঃ সাক্ষিণঃ সত্যাং প্রতিজ্ঞাং স জয়ী ভৱেৎ।
অন্যথাবাদিনো য়স্য ধ্রুৱস্তস্য পৰাজয়ঃ।। ১২।।

অসমীয়া অনুবাদ ঃ সাক্ষীৰ কোন প্ৰকাৰৰ উক্তিৰ দ্বাৰা জয় তথা পৰাজয় হয়, তাৰ ব্যাখ্যা এই শ্লোকটোত কৰা হৈছে।

অর্থী অর্থাৎ বাদীৰ দ্বাৰা দ্ৰব্য, জাতি, সংখ্যা আদি উল্লেখ কৰি যি প্ৰতিজ্ঞাবাক্য লিপিবদ্ধ কৰা হয়, সাক্ষীসকলে যদি তাকেই সত্য বুলি ঘোষণা কৰে, তেনেহ'লে অর্থীয়ে জয়লাভ কৰে। আনহাতে, যাৰ বাক্য মিছা বুলি ঘোষিত হয়, তেওঁৰ পৰাজয় নিশ্চিতভাৱে হয়।

মূলপাঠ ঃ উক্তে২পি সাক্ষিভিঃ সাক্ষ্যে যদ্যনো গুণৱত্তমাঃ।
দ্বিগুণা বা অন্যথা ব্রূয়ুঃ কূটাঃ স্যুঃ পূর্বসাক্ষিণঃ।। ১৩।।

অসমীয়া অনুবাদ ঃ পূর্বশ্লোকত কোৱা হৈছে যে, সাক্ষীয়ে যাৰ বাক্যক মিছা বুলি ঘোষণা কৰে, তেওঁৰ নিশ্চিতভাৱে পৰাজয় ঘটে। এই কথাৰ অপবাদ অর্থাৎ ভিন্নৰূপত এনেদৰে কোৱা হৈছে—

পূর্বে সাক্ষীসকলৰ যি লক্ষণ কোৱা হৈছে, সেই লক্ষণবিশিষ্ট

সাক্ষীসকলে যদি অর্থীৰ প্রতিজ্ঞাত অর্থৰ বিপৰীত ভাষ্য দিয়ে, আৰু যদি এই বিষয়ত শ্রেষ্ঠগুণযুক্ত দ্বিগুণসংখ্যক সাক্ষীয়ে যদি সেই পূর্বৰ সাক্ষীৰ বিৰুদ্ধে কয়, তেনেহ'লে পূর্বৰ সাক্ষীসকলক কূটসাক্ষী বা মিছাসাক্ষী বুলি কোৱা হয়।

মূলপাঠ ঃ পৃথক্, পৃথক্ দণ্ডনীয়াঃ কূটকৃৎ সাক্ষিণস্তথা।
বিৱাদাদ্ দ্বিগুণং দণ্ডং বিৱাস্যো ব্রাহ্মণঃ স্মৃতঃ।। ১৪।।

অসমীয়া অনুবাদ ঃ ইয়াৰ আগৰ শ্লোকটোত কূটসাক্ষী (false witness) ৰ পৰিচয় দিয়া হৈছে। এই শ্লোকত কূটসাক্ষীৰ দণ্ড নিৰূপণ কৰা হৈছে।

যিজনে ধনদি হ'লেও মিছা সাক্ষী স্থাপন কৰে, তেওঁ হ'ল কূটকৃৎ আৰু যিজনে মিছা সাক্ষ্য প্রদান কৰে, তেওঁ হ'ল কূটসাক্ষী। এই উভয়েই পৃথক পৃথকভাৱে দণ্ড পাব। বিবাদৰ পৰাজয়ৰ যি দণ্ড বিহিত আছে, তাৰ দ্বিগুণ দণ্ড এই দুইজনৰ প্রত্যেককে দিব। আৰু ব্রাহ্মণ যদি কূটকৃৎ বা কূটসাক্ষী হয়, তেনেহ'লে তেওঁক দেশৰ পৰাই নির্বাসন দিয়া হ'ব।

মূলপাঠ ঃ যঃ সাক্ষ্যং শ্রাৱিতো২ন্যেভ্যো নিহ্নুতে তৎতমোবৃতঃ।
স দাপ্যো২ষ্টগুণং দণ্ডং ব্রাহ্মণং তু বিবাসয়েৎ।। ১৫।।

অসমীয়া অনুবাদ ঃ প্রকৃত সকলো সত্য জানি-শুনিও যিজনে সাক্ষ্য দিবলৈ অস্বীকাৰ কৰে, তেওঁৰ ক্ষেত্রত বিশেষ বিশেষ দণ্ডৰ বিধান আছে।

যি ব্যক্তিয়ে সাক্ষী হিচাপে শপথ বাক্য শ্রৱণ কৰিও উত্তৰদান কালত স্নেহাদিৱশতঃ সাক্ষ্যদানৰ পৰা বিৰত থাকে, অন্য সাক্ষীৰ পৰা নিজকে গোপন কৰে অর্থাৎ কয় 'মই সাক্ষ্যদান নকৰোঁ।' সেই ব্যক্তিয়ে দণ্ড ভৰিব লাগিব। বিবাদ পৰাজয় হ'লে যি দণ্ড, তাৰ আঠগুণ দণ্ড দিব লাগিব। সেই ব্যক্তিজন যদি ব্রাহ্মণ হয়, তেনেহ'লে তেওঁক দেশৰ পৰাই নির্বাসন দিয়া হ'ব।

মূলপাঠ ঃ বর্ণিনাং হি বধো যত্র তত্র সাক্ষ্যনৃতং বদেৎ।
তৎপাৱনায় নির্ৱাপ্যশ্চৰুঃ সাৰস্বতো দ্বিজৈঃ।। ১৬।।

অসমীয়া অনুবাদ ঃ ইয়াৰ আগতে কোৱা হৈছে যে, সাক্ষীসকলে নমতাকৈ থকা তথা মিছা কথা কোৱা নিষিদ্ধ। এই নিয়মৰ অপবাদ অর্থাৎ অন্যথা হিচাপে এই শ্লোকটোত কোৱা হৈছে।

যি ক্ষেত্রত সত্যকথা ক'লে ব্রাহ্মণাদি চাৰি বর্ণৰ (ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র) মানুহৰ বধৰ (Sentenced to death) সম্ভাৱনা থাকে, সেই ক্ষেত্রত সাক্ষীয়ে মিছা কথা কোৱা উচিত। সেই মিথ্যাগ্রহণজন্য পাপৰ প্রায়শ্চিত্তৰ বাবে সৰস্বতী দেৱীৰ উদ্দেশ্যে চৰুপাক (এক প্রকাৰৰ যজ্ঞ বিশেষ) কৰিব তথা ব্রাহ্মণসকলৰ দ্বাৰা যজ্ঞ সম্পাদন কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ সাক্ষী হোৱাৰ অনুপযুক্ত দুজন ব্যক্তিৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৭ ঃ 'সাহস কৰ্ম' কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ 'কূটসাক্ষী' শব্দটোৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ সাক্ষীসকলৰ মতভেদ হ'লে কি কৰা হয়?

.....

.....

প্ৰশ্ন নং ১০ ঃ ব্ৰাহ্মণে মিছা সাক্ষ্য দিলে কি দণ্ড হয়?

.....

.....

১০.৪ সক্ষী ঃ সংক্ষিপ্ত আলোচনা

বিবদাস্পদ বিষয়ত সত্যাসত্য নিৰ্ণয়ৰ বাবে ৰজাই প্ৰমাণ দৰ্শন কৰিব। স্মৃতি শাস্ত্ৰত তিনি প্ৰকাৰৰ প্ৰমাণৰ কথা কোৱা হৈছে। সেই তিনটা হৈছে— লিখিত দলিল (Document), ভূক্তি বা ভোগ (Possession) তথা সাক্ষী (Witness)। যাজ্ঞৱল্ক্যসংতিা লিখিত প্ৰমাণ তথা ভূক্তিৰ আলোচনাৰ পিছত সাক্ষী সম্বন্ধে আলোচনা কৰা হৈছে। সাক্ষীৰ কি কি গুণ থকা উচিত, কোন কোন ব্যক্তি সাক্ষী হোৱাৰ যোগ্যতা আছে, কোনবিলাক মিথ্যা সাক্ষী, মিছা সক্ষীৰ দণ্ড কি হ'ব— এইবোৰ এই সাক্ষী প্ৰকৰণত সন্নিৱিষ্ট হৈছে।

অৰ্থী (Plaintiff) তথা প্ৰত্যৰ্থী (Defendant) ৰ ক্ৰিয়াকলাপ প্ৰত্যক্ষভাৱে দৰ্শন কৰা আৰু তেওঁলোকৰ কথাবাৰ্তা শ্ৰৱণ কৰাৰ ফলত বিবাদাস্পদীভূত বিষয়ত সত্যাসত্য নিৰ্ণয়ত যিজনে সহায়তা কৰিব পাৰে, তেঁৱেই হ'ল সাক্ষী। সহ+অক্ষি+ষঞ+ইনি এই ব্যুৎপত্তিতে 'সাক্ষী' শব্দটো নিষ্পন্ন হৈছে। আচাৰ্য্য মনুৰ মতে— 'সমক্ষ দৰ্শনাৎ সাক্ষ্যং শ্ৰৱণাচ্চৈৰ সিধ্যতি' (মনুসংহিতা, ৮/৭৪)।

সাক্ষী হ'বলৈ গ'লে কিছুমান গুণৰ প্ৰয়োজন হয়, যেনে— তপস্বী, দানশীল, সৎকুলজাত, সত্যবাদী, ধাৰ্মিক, শ্ৰৌত আৰু স্মাৰ্তক্ৰিয়াপৰায়ণ, সৰলচিত্ত, পুত্ৰৱান আৰু ধনী। আচাৰ্য্য মনুৰ মতে গৃহী, পুত্ৰবান, সৎকুলজাত ক্ষত্ৰিয়, বৈশ্য তথা শূদ্ৰ জাতীয় ব্যক্তি সাক্ষী হোৱাৰ উপযুক্ত।

এই সকল ব্যক্তি সত্যবাদী, কর্তব্যনিষ্ঠ, লোভহীন হ'ব লাগিব (মনুসংহিতা, ৮/৬২-৬৩)।

সাক্ষীৰ সংখ্যা তিনিজনতকৈ কম হ'ব নোৱাৰিব। তিনিজনৰ বেছিও কেতিয়াবা ইচ্ছামতে বা প্ৰয়োজনমতে গৃহীত হ'ব পাৰে। আচার্য্য নাৰদৰ মতে সাক্ষী সাধাৰণতে দুই প্ৰকাৰৰ কৃতসাক্ষী আৰু অকৃতসাক্ষী। যাক সাক্ষীৰূপে নিৰূপিত কৰা হৈছে, সেয়াই হৈছে কৃতসাক্ষী। যাক সাক্ষীৰূপে পূৰ্বে নিৰূপিত কৰা হোৱা নাই, অথচ সাক্ষ্যদানৰ যোগ্য, তেওঁ হ'ল অকৃতসাক্ষী। কৃতসাক্ষী পাঁচপ্ৰকাৰৰ— লিখিত, স্মাৰিত, যদৃচ্ছভিজ্ঞ, গূঢ় তথা উত্তৰসাক্ষী। অকৃতসাক্ষী হৈছে ছয় প্ৰকাৰৰ - ৰজা, প্ৰাড্‌বিবাক, গ্ৰামবাসী, কার্যক্ষেত্রত প্রয়োজনীয় ব্যক্তি, অর্থীদ্বাৰা প্রেৰিত ব্যক্তি, আৰু কুল্য বা কুলবিবাদত প্রয়োজনীয় স্ববংশজ ব্যক্তি।

সাধাৰণতে জাতি আৰু বর্ণ অনুসৰি সাক্ষী নির্ধাৰিত হয়। ব্রাহ্মণৰ সাক্ষী হয় ব্রাহ্মণ আৰু ক্ষত্রিয়ৰ সাক্ষী হয় ক্ষত্রিয়। যি ক্ষেত্রত নিজ জাতি বা বর্ণৰ সাক্ষী পোৱা নাযায়, সেই ক্ষেত্রত যিকোনো জাতিৰ বা বর্ণৰ মানুহে যিকোনো জাতি বা বর্ণৰ মানুহৰ হৈ সাক্ষ্য দিব পাৰে। কিন্তু তেওঁলোক সাক্ষীগুণযুক্ত তথা সাক্ষী নিষেধ ৰহিত হ'ব লাগিব।

স্ত্রী, বালক (ষোল্লবছৰৰ অনূর্ধ ব্যক্তি), অশীতিপৰ বৃদ্ধ, বচনহেতু, দোষহেতু— ভেদহেতু আদিৰ দ্বাৰা নির্দিষ্ট অসাক্ষী, ব্যক্তিসকল, দূত্যাসক্ত, মদ্যপায়ী, গ্রহোন্মত্ত, ব্রহ্মহত্যাৰ দোষত অভিযুক্ত, অভিনেতা, চাৰণ, ছলাশ্রয়ী, বিকলেন্দ্রিয়, অর্থী বা প্রত্যর্থীৰ নিকটাত্মীয়, অর্থী তথা প্রত্যর্থীৰ সৈতে যাৰ অর্থৰ লেনদেন সম্পর্ক আছে, যি অর্থী তথা প্রত্যর্থীৰ সৈতে একেই কাম কৰে আৰু যিজন অর্থী তথা প্রত্যর্থীৰ শত্রু, এওঁলোকেও সাক্ষ্যদান কৰাৰ অনুপযুক্ত অর্থাৎ অসাক্ষী।

অর্থী আৰু প্রত্যর্থী উভয়ৰে অনুমতি অনুসৰি এজন ধর্মজ্ঞ ব্যক্তিয়ো সাক্ষী হ'ব পাৰে। কিন্তু পৰস্ত্রী গ্রহণ, চৌর্য্য, পাৰুষ্য তথা সাহস কর্মত সকলো ব্যক্তিয়েই সাক্ষী হ'ব পাৰে। অর্থাৎ যিসকলৰ তপস্যা, দানশীলতা ইত্যাদি গুণ নাই, তেওঁলোকেও সাক্ষ্য দিব পাৰে। কিন্তু দোষ হেতুৰ দ্বাৰা যিসকল অসাক্ষী, ভেদহেতু, স্বয়ম্ উক্তি হেতু যি সকল অসাক্ষী তেওঁলোকে এই বিষয়ত সাক্ষ্য দিব নোৱাৰিব কাৰণ তেওঁলোকৰ উক্তিত সত্যৰ অভাব থাকে। এইখিনিতে উল্লেখযোগ্য যে নৰহত্যা, চুৰি, পৰস্ত্রীহৰণ, বাক্ তথা দণ্ড পাৰুষ্য এই চাৰি প্ৰকাৰৰ কর্মই হৈছে সাহস, তথাপি স্ত্রীসংগ্রহণ, চৌর্য্য তথা পাৰুষ্য এইবোৰ পৃথকভাৱে উল্লেখ কৰাৰ কাৰণ হ'ল— উক্ত এই তিনিটা কর্ম বলপূর্বক প্রয়োগ কৰা হ'লে, সেইবোৰক 'সাহস' কর্ম বুলি কোৱা হ'ব, আনহাতে গোপনে কৰিলে তাক সাহস বুলি কোৱা নহ'ব।

সাক্ষ্য লোৱাৰ আগতে সাক্ষীসকলক এইবুলি শিকোৱা হয়— 'মিথ্যাবাদী সাক্ষীয়ে পাপী, ব্রহ্মহন্তা, স্ত্রী-শিশুঘাতীৰ যি প্রাপ্য নৰক (মৃত্যুৰ পিছত) সেই নৰক লাভ কৰিব। সেই সাক্ষীৰ মিছা সাক্ষ্যই যাক পৰাজিত কৰাব, সেই ব্যক্তিয়ে মিছা সাক্ষী জনে আর্জিত শত জন্মৰ পুণ্য লাভ কৰিব' ইত্যাদি। শপথ বাক্য শ্ৰৱণ কৰিও যদি কোনোবাই সাক্ষ্য নিদিয়ে, তেনেহ'লে তেওঁ দণ্ড লাভ কৰিব। ঋণ বিষয়ত কোনো সাক্ষীয়ে সাক্ষ্যদানৰ পৰা বিৰত থাকিলে, ৰজাই ৪৫ দিনৰ পিছত সুদসহ সমগ্র ঋণৰ ধন সাক্ষীৰ পৰা লৈ উত্তমর্ণক প্রদান কৰিব। নিজে মূল ধনৰ এক

দশমাংশ দণ্ডস্বৰূপে ল'ব। সাক্ষীসকলৰ মাজত উক্তিৰ বিৰোধ দেখা দিলে সংখ্যাগৰিষ্ঠৰ উক্তি গ্ৰাহ্য হ'ব। উভয় পক্ষ সমান হ'লে গুণিজন থকা ফালৰ উক্তি গৃহীত হ'ব। যি বাদীৰ প্ৰতিজ্ঞাত বিষয় সাক্ষীসকলে সত্য বুলি ঘোষণা কৰিব, তাৰেই বিজয় হ'ব।

সাক্ষীসকলৰ সাক্ষ্যদানৰ পিছত অন্যান্য অধিক গুণৱান সাক্ষীয়ে যদি সেইটোৰ বিপৰীত কথা কয়, তেনেহ'লে পূৰ্বৰ সাক্ষীজনক 'কূটসাক্ষী' বুলি কোৱা হয়। কূটসাক্ষীয়ে বিবাদৰ দ্বিগুণ দণ্ড দিব লাগিব। যিয়ে ধনৰ বিনিময়ত মিথ্যাসাক্ষ্য দিয়ায়, তাক পৃথকভাৱে দণ্ড দিয়া হ'ব। ব্ৰাহ্মণে মিছা সাক্ষ্যদান কৰিলে বা মিথ্যাসাক্ষী কৰিলে, তেওঁক দেশৰ পৰাই নিৰ্বাসন কৰা হ'ব। যি ক্ষেত্ৰত সত্য সাক্ষ্যদানত ব্ৰাহ্মণাদি বৰ্ণৰ কাৰোবাৰ বধৰ আশংকা থাকে, তেনে ক্ষেত্ৰত মিথ্যাসাক্ষ্যদান কৰাৰ বিধান দিয়া হৈছে। পিছে কাৰোবাৰ বধ বাৰণ কৰাৰ বাবে মিছা সাক্ষ্য দিয়া জনে নিজৰ পাপ ক্ষালনৰ বাবে দেৱী সৰস্বতীৰ উদ্দেশ্যে চৰু পাক কৰি যজ্ঞ কৰিব লাগিব।



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰাচীন ভাৰতীয় বিচাৰ ব্যৱস্থাৰ লগত পৰিচয় হ'ব পাৰিলে।
- বিচাৰ ব্যৱস্থাত প্ৰমাণ হিচাপে সাক্ষীৰ গুৰুত্ব জানিব পাৰিলে।
- সাক্ষীৰ সংখ্যা তথা সাক্ষীৰ গুণ সম্বন্ধে অবগত হ'ল।
- সাক্ষ্য প্ৰক্ৰিয়াৰ অযোগ্য সাক্ষীৰ বিষয়ে জানিব পাৰিলে।
- কূটসাক্ষী তথা তেওঁৰ দণ্ডৰ বিষয়ে অৱগত হ'ল।
- সাক্ষীৰ পৰস্পৰ মত বিৰোধত ৰায় সম্পৰ্কে জ্ঞাত হ'ল।



১০.৬ অধিক জানিবলৈ

১) বসু (ন্যায়তীৰ্থ), সুমিতা, (১৪০৭ সাল), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, কোলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) ঝা, (ড°) শশিনাথ (সম্পাদিত), (২০০২), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, দিল্লী ঃ ভাৰতীয় বিদ্যা প্ৰকাশন।

৩) Panda, (Dr.) R. K. (ed.), (2011). *Yajnavalkya-Samhita,* Delhi : Bharatiya Kala Prakashan.



১০.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ তিনি প্ৰকাৰৰ — লিখিত, ভুক্তি আৰু সাক্ষী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দুই প্ৰকাৰৰ — কৃতসাক্ষী আৰু অকৃতসাক্ষী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৬ টা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ তপঃ পৰায়ণ, দানশীল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৩ জন।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ স্ত্ৰী আৰু বালক।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বলপূৰ্বক কৰা কাম।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মিছা সাক্ষী।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ গৰিষ্ঠসংখ্যকৰ মতটো গৃহীত হয়।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ দেশৰ পৰা নিৰ্বাসন দিয়া হয়।



১০.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'ব্যৱহাৰ' শব্দটোৰ অৰ্থ কি?

প্ৰশ্ন ২ ঃ 'ব্যৱহাৰ'ৰ পাদ কেইটা?

প্ৰশ্ন ৩ ঃ লিখিত সাক্ষী কি?

প্ৰশ্ন ৪ ঃ গূঢ়সাক্ষী কাক বোলে?

প্ৰশ্ন ৫ ঃ সাক্ষীক শপথ কিয় দিয়া হয়?

(খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ চমুটোকা লিখক ঃ

কূটসাক্ষী, দণ্ড পাৰুষ্য, স্মাৰিত সাক্ষী।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ সাক্ষীৰ গুণসমূহ কি কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কোনবোৰ ব্যক্তি সাক্ষীৰ অযোগ্য? বহলাই লিখক।

প্ৰশ্ন ৩ ঃ সাক্ষ্যত পৰস্পৰ বিৰোধ হ'লে কি কৰা হয়? চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ মিথ্যাসাক্ষীৰ দণ্ড সম্পৰ্কে আলোচনা কৰক।

*** ***** ***